বিছমিল্লাহিৰ ৰাহমানিৰ ৰাহিম

# খোতবা জুমা

## মহানবী (ছাঃ) ৰ সত্য গোলাম হজৰত মছীহ মাওউদ (আঃ) ৰ দুখীয়া-দৰিদ্ৰৰ প্ৰতি থকা মৰম-স্নেহ আৰু উদাৰতা তথা দানশীলতাৰ এক ঈমান উদ্দীপক বৰ্ণনা।

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔
بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔
اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔
صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)এ ২৬ জুন ২০২৬ চনত মছজিদ মোবাৰক ইছলামাবদ (ইউ,কে)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ) এ কৈছে, আল্লাহ তা'লাৰ নিৰ্দেশ আৰু হজৰত মহম্মদ মোস্তফা চাল্লাল্লাহু আলাইহি ৱা ছাল্লামৰ আদৰ্শ অনুসৰণ কৰি, হজৰত মছীহ মাওউদ আলাইহিচ্ছালামৰ জীৱনত আমি দৰিদ্ৰ প্ৰতিপালন আৰু উদাৰতাৰ বহুতো ঘটনা বিচাৰি পাওঁ। কেৱল তেওঁৰ (মছীহ হোৱাৰ) দাবীৰ পৰিপ্ৰেক্ষিততেই নহয়, বৰঞ্চ তেওঁৰ জীৱনৰ প্ৰাৰম্ভিক কাল আৰু যৌৱন অৱস্থাতো আমি তেওঁৰ উচ্চ নৈতিকতাৰ উৎকৃষ্ট উদাহৰণ দেখিবলৈ পাওঁ।

আল্লাহ তা'লাই তেখেত (আলাইহিচ্ছালাম)ক যিগৰাকী মাতৃৰ কোলাত লালন-পালন কৰিছিল, তেওঁৰ জীৱনলৈ চালেও আমি তাতো দৰিদ্ৰ প্ৰতিপালন আৰু উদাৰতাৰ অনন্য নিদৰ্শন পাওঁ। যেনেকুৱা তেখেতে এগৰাকী এনেকুৱা মাতৃৰ কোলাত ডাঙৰ-দীঘল হৈছিল যিগৰাকীয়ে তেখেতক মহান নৈতিক শিক্ষাও প্ৰদান কৰিছিল। হজৰত শ্বেখ ইয়াকুব আলী ইৰফানী চাহাবে (ৰাঃ) য়ে লিখিছে যে হজৰত মাই চিৰাগ চাহেবা, অৰ্থাৎ হজৰত মছীহ মাওউদ আলাইহিচ্ছালামৰ সন্মানীয় মাতৃৰ পৰিয়ালটো হোশ্বিয়াৰপুৰ জিলাৰ আইমা নামৰ গাঁৱৰ এটা মৰ্যাদাপূৰ্ণ আৰু প্ৰকৃত মোগল বংশ আছিল। তেওঁৰ স্বভাৱত উদাৰতা আৰু অতিথি সেৱাৰ ভাব সম্পূৰ্ণৰূপে সোমাই আছিল। এগৰাকী পবিত্ৰ আৰু সতী নাৰীৰ মাজত যিবোৰ উচ্চ গুণ থকা উচিত, সেই সকলোবোৰ তেওঁৰ মাজত বিদ্যমান আছিল। তেওঁ সদায় প্ৰফুল্লিত আৰু গম্ভীৰ হৈ থাকিছিল। অতিথি সেৱাৰ বাবে তেওঁৰ হৃদয়ত অপৰিসীম উৎসাহ আৰু উদাৰতা আছিল। যদি তেওঁ খবৰ পাইছিল যে চাৰিজন মানুহৰ বাবে আহাৰ পঠিয়াব লাগে, তেন্তে যেতিয়া আহাৰ পঠিওৱা হৈছিল, সেয়া আঠজনতকৈও অধিক লোকৰ বাবেহে আছিল। তেওঁ নিজৰ চহৰখনৰ দৰিদ্ৰ আৰু অসহায় লোকসকলৰ বিশেষ যত্ন লৈছিল আৰু তেওঁৰ এটা বিশেষ নিয়ম আছিল যে দৰিদ্ৰ লোকসকলৰ মৃত্যু হ'লে তেওঁলোকৰ কফনৰ কাপোৰ তেওঁৰ ঘৰৰ পৰাই দিয়া হৈছিল। হজৰত মিঞা আল্লাহ য়াৰ চাহেব (ৰাঃ)এ বৰ্ণনা কৰিছে যে যি সময়ত হুজুৰ (আঃ) ছিয়ালকোটত কৰ্মৰত আছিল, এবাৰ হুজুৰৰ বাবে তেওঁৰ মাতৃয়ে দুসাজ পোছাক অৰ্থাৎ কাপোৰ আৰু কিছুমান পিন্নী (এক প্ৰকাৰৰ মিঠাই) মংগল হাজাম নামৰ

এজন ব্যক্তিৰ হাতত পঠিয়াইছিল। (তেওঁ কয়) যেতিয়া মই এই বস্তুবোৰ লৈ ছিয়ালকোটলৈ গ'লোঁ আৰু হুজুৰৰ সন্মুখত ৰাখিলোঁ, তেতিয়া হুজুৰ (আঃ)এ ক'লে, তোমাৰ ভাগত যি পৰে তুমি লৈ লোৱা আৰু মোৰ ভাগটো মোক দি দিয়া। মই ক'লোঁ যে হুজুৰ! এইবোৰ আপোনাৰ বাবেই। আপোনাৰ মাতৃয়ে আপোনাৰ বাবে পঠিয়াইছে। তেতিয়া ক'লে যে তুমি ইমান দূৰৰ পৰা গোটেই বস্তুবোৰ কঢ়িয়াই আনিছা, গতিকে তোমাৰ আধা ভাগ নিশ্চয় লৈ লোৱা। অৱশেষত মোক এযোৰ পোছাক আৰু কিছু পিন্নী দিলে আৰু ক'লে যে আম্মা জানক (মাতৃক) গৈ ক'বা যাতে মোক ইয়াৰ পৰা সোনকালে ঘূৰাই লৈ যায়, মোৰ মন ইয়াত লগা নাই।

হজৰত মিৰ্জা বশ্বিৰ আহমদ চাহেব (ৰাঃ)এ এটা বৰ্ণনা প্ৰকাশ কৰিছে যে হজৰত চাহেব (আঃ) যেতিয়া ছিয়ালকোটত আছিল, তেতিয়া তেওঁ ঘৰত কাৰো সৈতে বেছিকৈ মিলামিছা কৰা নাছিল আৰু মিৰ্জা চাহেব (আঃ) এ যি দৰমহা পাইছিল, সেয়া অভাৱগ্ৰস্ত লোকসকলৰ মাজত বিতৰণ কৰি দিছিল, কাপোৰ চিলাই দিছিল বা নগদ ধন দি দিছিল আৰু নিজৰ বাবে কেৱল খোৱা-বোৱাৰ খৰচখিনি ৰাখিছিল।

প্ৰাৰম্ভিক সময়ছোৱাত যিহেতু তেখেত (আঃ) নিৰ্জনতা প্ৰিয় আছিল আৰু এইটোৱেই তেখেতৰ প্ৰবৃত্তি আছিল, সেয়েহে এই ধৰণৰ চৰিত্ৰৰ প্ৰকাশ অতি গোপনীয়ভাৱে হৈছিল। কিন্তু যেতিয়া আল্লাহ তা'লাই তেখেতক জনগনৰ সন্মুখলৈ আনিলে আৰু মানুহৰ অহা-যোৱা প্ৰচুৰ পৰিমাণে বৃদ্ধি পাবলৈ ধৰিলে আৰু তেখেতৰ অৱস্থা সৰ্বসাধাৰণৰ ওচৰত প্ৰকাশ পাবলৈ ধৰিলে, তেতিয়া এই ঘটনাবোৰ দেখা আৰু বৰ্ণনা কৰা লোকৰো সংখ্যা বৃদ্ধি পাব ধৰিলে। তেখেত (আঃ)এ কোনো ভিক্ষাৰীক কেতিয়াও খালী হাতে ওভতাই পঠোৱা নাছিল।

হজৰত মৌলানা আব্দুল কৰিম চাহেব (ৰাঃ)এ কৈছে যে এদিন এনেকুৱা হ'ল যে আছৰৰ নামাজৰ পিছত তেখেত (আঃ) উঠিল আৰু মছজিদৰ খিৰিকীৰে ভিতৰলৈ সোমাবলৈ ভৰি দিলে। তেনেতে এজন ভিক্ষাৰীয়ে লাহেকৈ ক'লে যে মই এজন ভিক্ষাৰী। হজৰত (আঃ) ৰ সেই সময়ত কিবা এটা জৰুৰী কামো আছিল আৰু তেওঁৰ মাতটো আন মানুহৰ মাতৰ সৈতে মিলি গৈছিল। তেখেতে ভিতৰলৈ সোমাই গ'ল, কিন্তু সেই ধীৰ কণ্ঠস্বৰে তেখেতৰ হৃদয়ত গভীৰ প্ৰভাৱ পেলালে। তেখেতে খলিফা নূৰুদ্দিন চাহেব (ৰাঃ)ক মাতি ক'লে যে এজন ভিক্ষাৰী আহিছিল, তাক চোৱা। কিন্তু বিচাৰিও তাক পোৱা নগ'ল। সন্ধিয়া নামাজৰ পিছত তেখেতে যেতিয়া পুনৰ বহিল, তেতিয়া সেই ভিক্ষাৰীজন আকৌ আহিল আৰু সাহায্য প্ৰাৰ্থনা কৰিলে। হজৰত (আঃ)এ অতি খৰখেদাকৈ পকেটৰ পৰা কিবা এটা উলিয়ালে আৰু তাৰ হাতত তুলি দিলে। এতিয়া এনেকুৱা লাগিল যেন তেখেতে ইমান আনন্দিত হৈছে যে যেন তেখেতৰ ওপৰৰ পৰা কোনোবা এক গধুৰ বোজা নামি গ'ল।

কাদিয়ানৰ পৰা ছয় মাইল দূৰত্বত ছঠিয়ালী নামৰ এখন সৰু গাঁও আছে। তাৰ পৰা এজন জাট ফকীৰ অহা-যোৱা কৰিছিল। সি মছজিদ মোবাৰকৰ চালৰ তললৈ আহি খিৰিকীৰ ওচৰত চিঞৰি কৈছিল, গোলাম আহমদ! এটকা লাগে, আৰু তাতে বহি পৰিছিল। যেতিয়া হজৰত চাহেব (আঃ) কোনো কামত ব্যস্ত হৈ পৰিছিল তেতিয়া সি অলপ সময়ৰ মূৰে মূৰে চিঞৰি আছিল। এইটো বেছিভাগ মানুহৰে আমনিদায়ক লাগিছিল। কিন্তু হজৰত আকদছ (আঃ)এ যদি জানিব পাৰিছিল যে কোনোবাই তাক কিবা কৈছে, তেন্তে তেখেত অসন্তুষ্ট হৈছিল আৰু হাঁহি হাঁহি তাক টকাটো দি দিছিল।

১৯০৫ চনত হুজুৰ (আঃ) শেষবাৰৰ বাবে দিল্লীলৈ গৈছিল। এদিন তেখেতে দিল্লীৰ মাজাৰ (দৰগাহ) আদি দৰ্শন কৰাৰ উদ্দেশ্যে ওলাই গ'ল। কোনোবাই ক'লে, হুজুৰ! এইফালৰ বাটত ইমান বেছি মগনীয়াৰ থাকে যে পাৰ হ'বলৈকে টান হৈ পৰে। হুজুৰে ক'লে, আজি আমি খোজ কাঢ়িম। আমি সকলোকে দান কৰিম। সেইদিনা অৱশ্যে শুনা মতে সিমান বেছি ভিক্ষাৰী পোৱা নগ'ল, তথাপিও কিছুমান পোৱা গ'ল আৰু প্ৰত্যেকেই নিজৰ প্ৰশ্নৰ উত্তৰ ব্যৱহাৰিকভাৱে লাভ কৰিলে।

হজৰত হাফিজ আহমদুল্লাহ চাহাব নাগপুৰীয়ে কয় যে এদিন হুজুৰ এটা গোল কামৰা (ঘূৰণীয়া কোঠাত) বহি আছিল। তাত প্ৰায় ২০ বা ২৫ জনমান মানুহ উপস্থিত আছিল। হুজুৰে কিবা ভাষণ দি আছিল, এনেতে এজন ফকীৰ আহিল আৰু প্ৰবলকৈ কিবা খুজিলে। তেওঁ কয় যে মোৰ মনত বৰ বেয়া লাগিল, কাৰণ ই হুজুৰৰ মাতত বাধাৰ সৃষ্টি কৰিছিল। মই দুৱাৰখন বন্ধ কৰি দিলোঁ। হুজুৰে ভাষণ বন্ধ কৰি মোক ক'লে, ভিতৰৰ দুৱাৰত টুকুৰিওৱা আৰু সেই ভিক্ষাৰীজনক ভিতৰৰ পৰা কিবা এটা দিয়া। আৰু ক'লে যে, ভিক্ষাৰীৰ আহ্বানত দুৱাৰ বন্ধ কৰি দিয়াটো ভাল কাম নহয়।

শ্বেখ য়াকুব আলী ইৰফানী চাহাব (ৰাঃ) এ লিখিছে যে মই ১৮৯২ চনৰ পৰা কাদিয়ানলৈ আহি আছিলোঁ আৰু ১৮৯৮ চনৰ পৰা স্থায়ীভাৱে হুজুৰৰ সেৱাত নিয়োজিত হ'লোঁ। মোৰ সমুখত বহু মানুহে সহায় বিচাৰিছিল। মই হজৰত মছীহ মাওউদ (আলাইহিচ্ছালাম) ক কেতিয়াও কোনো ভিক্ষাৰীক তামৰ মুদ্ৰা অৰ্থাৎ পইচা দিয়া দেখা নাই। তেখেতে সদায় ৰূপৰ মুদ্ৰা দিছিল, অৰ্থাৎ অধিক ধন দিছিল।

এজন ফকীৰে এবাৰ হজৰত চাহাবৰ ওচৰলৈ নিৰ্জনতাত আহি অনুৰোধ কৰিলে যে, মই হাবিৰ মাজত এটা কুঁৱা খন্দাব খোজো। তাত বাটৰুৱাসকলে জিৰণি ল'ব পাৰিব আৰু পানী খাব পাৰিব। হজৰত চাহাবে তেওঁক এই উদ্দেশ্যেৰে ২০০ টকা দিলে যে, তুমি মানুহৰ সেৱাৰ বাবে এই কাম কৰিছা, গতিকে মই পইচা দিছোঁ। এইদৰে তেওঁ লোকসেৱাৰ কেৱল নিৰ্দেশেই দিয়া নাছিল, বৰঞ্চ নিজৰ ব্যৱহাৰিক উদাহৰণো দাঙি ধৰিছিল।

হজৰত আব্দুল ছামিউ চাহাব (ৰাঃ) এ বৰ্ণনা কৰিছে যে মিয়াঁ শ্বৰীফ আহমদ চাহাব (ৰাঃ) ৰ আকীকা (জন্মোৎসৱৰ ভোজ) আছিল আৰু অতিথিশালাত সকলো অতিথিয়ে ভাত খাই আছিল। এনেতে এজন ফকীৰ অতিথিশালাৰ ভিতৰত খুজিবলৈ সোমাই আহিল। মানুহবোৰে তাক উলিয়াই দিবলৈ ধৰিলে, তেতিয়া হুজুৰে নিজে ফকীৰজনক ভাত দিলে আৰু মানুহবোৰক ফকীৰজনক খেদিবলৈ বাৰণ কৰিলে আৰু ক'লে যে, তেওঁ ভাত খাবলৈ আহিছে, খেদিব নালাগে।

হজৰত মুন্সী জাফৰ আহমদ চাহাব (ৰাঃ)এ বৰ্ণনা কৰিছে যে এবাৰ এজন মৌলৱী কাদিয়ানলৈ আহিছিল আৰু হুজুৰৰ সৈতে তৰ্কত লিপ্ত হৈছিল। কথা-বতৰাটো ঈছা (আলাইহিচ্ছালাম) ৰ মৃত্যু আৰু জীৱনৰ সন্দৰ্ভত আছিল। হুজুৰে যেতিয়া তেওঁক উত্তৰ দিবলৈ আৰম্ভ কৰিলে, তেতিয়া তেওঁ মনে মনে থাকিল। তেখেতে যেতিয়া তেওঁক বুজাই দিলে আৰু সুধিলে যে বুজি পালা নে নাই, তেতিয়া তেওঁ চৰম ধৃষ্টতা প্ৰদৰ্শন কৰি ক'লে, মই বুজি পালোঁ যে আপুনি দাজ্জাল (প্ৰতাৰক)। (নাউজুবিল্লাহ) কিয়নো দাজ্জালৰ চৰিত্ৰই হৈছে যে তেওঁ তৰ্কত আনক নীৰৱ কৰি দিয়ে। তেখেতে তাৰ পিছত একো নক'লে আৰু তেওঁ গুচি গ'ল। অমৃতসৰলৈ গৈ তেওঁ এখন জাননী ছপা কৰিলে আৰু এই ঘটনাটো বৰ্ণনা কৰি ক'লে যে, যেতিয়া তেখেত ভিতৰলৈ গ'ল, মই এখন চিঠি পঠিয়ালোঁ যে মই এজন অভাৱগ্ৰস্ত মানুহ আৰু মোৰ প্ৰতি অলপ সদয় হওক। তেখেতে লগে লগে ১৫ টকা পঠিয়াই দিলে। আপুনি বৰ দানশীল।

হজৰত কাজী আব্দুল গফুৰ চাহাব (ৰাঃ) এ বৰ্ণনা কৰিছে যে ১৯০৬ চনত মই মোৰ ডাঙৰ ককাইদেউৰ সৈতে ৰাৱালপিণ্ডিৰ পৰা কাদিয়ান গৈছিলোঁ, হজৰত মছীহ মাওউদ (আঃ) এ যেতিয়া মছজিদৰ চিৰিৰে তললৈ নামি আহি আছিল, তেতিয়া হাকিম শ্বাহ নৱাজ নামৰ এজন ব্যক্তিয়ে তেখেতক উপহাৰস্বৰূপে এখন থলীত ১৭ পাউণ্ড দিলে। হজৰত চাহাবে থলীখন লৈ নিজৰ জেপত ভৰাই থ'লে। তলত এজন সাহায্যপ্ৰাৰ্থী (দুখীয়া মানুহ) থিয় হৈ আছিল, তেওঁ কিবা বিচাৰিলে, হজৰত চাহাবে লগে লগে জেপৰ পৰা সেই থলীখন উলিয়াই তেওঁৰ হাতত তুলি দিলে।

হাকিম চাহাবে ক'লে, হুজুৰ! ইয়াত ১৭ পাউণ্ড আছিল। তেখেতে ক'লে এয়া তেওঁৰেই আছিল, গতিকে তেওঁৰ ওচৰলৈকে পাই গ'ল। সেই যুগত এয়া এক অতি বৃহৎ ধনৰাশি আছিল।

হজৰত উম্মুল মোমীনিন (ৰাঃ)ৰ পৰা হজৰত মিৰ্জা বশীৰ আহমদ চাহাব (ৰাঃ)এ এটা বৰ্ণনা উল্লেখ কৰি লিখিছে যে— মোৰ মাতৃয়ে মোক কৈছিল যে হজৰত চাহাবে প্ৰচুৰ দান-দক্ষিণা কৰিছিল আৰু সাধাৰণতে ইমান গোপনে দিছিল যে

আমি নিজেও গম পোৱা নাছিলো। যেতিয়া মই সুধিলোঁ, তেওঁ কিমান দান দিছিল? তেতিয়া মাতৃয়ে ক'লে, বহুত দিছিল, আৰু জীৱনৰ শেষৰ দিনবোৰত যিমান টকা আহিছিল, তাৰ দশম অংশ ছাদকাৰ বাবে আগতীয়াকৈ সুকীয়াকৈ ৰাখি থৈছিল।

ইয়াৰ অৰ্থ এইটো নাছিল যে তেখেতে দশম অংশতকৈ বেছি নিদিছিল, বৰঞ্চ কেতিয়াবা প্ৰয়োজনীয় খৰচ ইমান বাঢ়ি গৈছিল যে ছাদকা দিয়াত যাতে কোনো ত্ৰুটি নহয়, সেইবাবেই তেখেতে আগতীয়াকৈ অন্ততঃ দশম অংশটো পৃথক কৰি ৰাখিছিল, যাতে সেই ধন আন কোনো কামত খৰচ হৈ নাযায়। ছাদকা বা দান দিয়াৰ ক্ষেত্ৰত তেখেতে আহমদী বা অনা-আহমদীৰ কোনো ভেদভাৱ নকৰিছিল।

কোনো প্ৰাৰ্থী বা সাহায্যপ্ৰাৰ্থীক কেতিয়াও খালী হাতে ওভতাই নোযোৱাটো তেখেতৰ অভ্যাস আছিল। ইয়াৰ উপৰি, তেখেতৰ চৰিত্ৰৰ আন এক বিশেষত্ব আছিল যে তেখেতে আবেদন বা প্ৰাৰ্থনাৰ অতি সূক্ষ্ম ৰূপবোৰো খুব ভালদৰে বুজি পাইছিল।

এবাৰ এজন ব্যক্তিয়ে তেখেতৰ বাবে এটা ধুনীয়া টুপী উপহাৰ পঠিয়ালে। যেতিয়া সেই পাৰ্চেলটো হজৰত চাহাবৰ ওচৰ পালেহি, তেতিয়া তাত কাকতলীয়াভাৱে এজন হিন্দু মানুহো উপস্থিত আছিল। হজৰত চাহাবে পাৰ্চেলটো খোলাৰ পিছত টুপীটো ওলাল। সেই হিন্দু মানুহজনে টুপীটোৰ বৰ প্ৰশংসা কৰিলে। হজৰত চাহাবে লগে লগে সেই টুপীটো তেওঁকে দান কৰি দিলে।

চৰফৰাজ খান নামৰ এজন আহমদীয়ে বৰ্ণনা কৰিছে যে— আমি জলছালৈ (ধৰ্মীয় সভা) আহিছিলোঁ আৰু কোনোবা এজনে হুজুৰক এজনী ঘোঁৰা উপহাৰ দিছিল। মোৰ মনলৈ ভাব আহিল যে এই ঘোঁৰাজনী যদি মই পালোঁহেঁতেন, তেন্তে মই ইয়াক লৈ গৈ সকলোকে ক'লোহেঁতেন যে মই মছীহৰ ঘোঁৰা লৈ আহিছোঁ। জলছা শেষ হোৱাৰ পিছত মই ক'লোঁ, হুজুৰ! মই এতিয়া ঘৰলৈ ঘূৰি যাব বিচাৰোঁ। তেখেতে ক'লে, ৰবা। কেইদিনমানৰ পিছত মই আকৌ একে কথাই ক'লোঁ, তেতিয়া হুজুৰে ক'লে, চৌধুৰী চাহাব! এই ঘোঁৰাজনী লৈ যোৱা। মই সুধিলোঁ, হুজুৰ! এই ঘোঁৰাজনীৰ মূল্য কিমান? তেখেতে ক'লে, ইয়াক ঘাঁহ আৰু দানা খুৱাবা আৰু ইয়াৰ ওপৰত উঠিবা, এয়াই ইয়াৰ মূল্য।

শেষত হুজুৰ আনোৱাৰে ক'লে, আল্লাহ তা'লাই আমাকো তেনে চৰিত্ৰ আৰু নৈতিকতাৰ অধিকাৰী কৰক, যিবোৰ প্ৰতিষ্ঠা কৰিবলৈ আল্লাহ তা'লাই মহানবী চাল্লাল্লাহু আলাইহি ৱা ছাল্লামৰ দাসত্বত তেখেতক (হজৰত মিৰ্জা গোলাম আহমদ আঃ) পঠিয়াইছিল।

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا وَمِنْ سَیِّئَاتِ اعْمَالِنَا مَن یَّھْدِہِ اللّٰہُ فَلَا مُضِلَّ لَہٗ وَمَنْ یُّضْلِلْہُ فَلَا ھَادِیَ لَہٗ وَنَشْھَدُ أَنْ لَّآ اِلٰہَ اِلَّا اللّٰہُ وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ عِبَادَ اللّٰہِ رَحِمَکُمُ اللّٰہُ اِنَّ اللّٰہَ یَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْیِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ ۔

Assamese Khulasa Khutba Hazur Anowar 26 June 2026

Nazarat Nashor-O-Ishaat Qadian